# ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

## মাহভিত্তিক শৈক্ষিক দিনপঞ্জী

## ফেব্ৰুৱাৰী ২০২২

| সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ | শনি | ৰবি |
|---|---|---|---|---|---|---|
| | ১ শ্ৰেণী দিন | ২ শ্ৰেণী দিন | ৩ শ্ৰেণী দিন | ৪ শ্ৰেণী দিন | ৫ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (সৰস্বতী পূজা) | ৬ বন্ধ দিন |
| ৭ শ্ৰেণী দিন | ৮ শ্ৰেণী দিন | ৯ শ্ৰেণী দিন | ১০ শ্ৰেণী দিন | ১১ শ্ৰেণী দিন | ১২ শ্ৰেণী দিন | ১৩ বন্ধ দিন |
| ১৪ শ্ৰেণী দিন | ১৫ শ্ৰেণী দিন | ১৬ বন্ধ দিন (বীৰ চিলাৰায় দিৱস) | ১৭ শ্ৰেণী দিন | ১৮ শ্ৰেণী দিন | ১৯ শ্ৰেণী দিন | ২০ বন্ধ দিন |
| ২১ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (আন্তৰ্জাতিক মাতৃভাষা দিৱস) | ২২ শ্ৰেণী দিন | ২৩ শ্ৰেণী দিন | ২৪ শ্ৰেণী দিন | ২৫ শ্ৰেণী দিন | ২৬ শ্ৰেণী দিন | ২৭ বন্ধ দিন |
| ২৮ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস) | | | | | | |



চি.ভি. ৰমণ

## নিম্ন প্ৰাথমিক শ্ৰেণী (প্ৰথমৰপৰা পঞ্চম)

### শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

| বিষয় | প্ৰথম | দ্বিতীয় | তৃতীয় | চতুৰ্থ | পঞ্চম |
|---|---|---|---|---|---|
| অসমীয়া (ভাষা-১) | জোনলৈ যাওঁ ব'লা (পাঠ নং-১২) | ঋতু আহে ঋতু যায় (পাঠ নং-১৪) | মৰমৰ আই (পাঠ নং-১৪) | গছে যদি খোজ কাঢ়ে (পাঠ নং-১৪) | সৰু ছোৱালী আৰু পখী (পাঠ নং-১৪) |
| গণিত | টকা-পইচা (পাঠ নং-১৩) | সময় (পাঠ নং-১৩) | পুনৰালোচনা | পুনৰালোচনা | ■ চানেকি চাওঁ আহা (পাঠ নং-১৩)<br>■ জোখ-মাখৰ প্ৰয়োগ (পাঠ নং-১৪) |
| ইংৰাজী (ভাষা-২) | The Greedy Dog (Lesson-8) | Let's Celebrate (Lesson-8) | Recap | Recap | Recap |
| পৰিৱেশ অধ্যয়ন | —— | —— | আজৰি সময়ৰ ব্যৱহাৰ (পাঠ নং-১৮) | আমাৰ জিলাসমূহৰ কিছু কথা (পাঠ নং-১৮) | আমাৰ চুবুৰীয়া ৰাজ্যসমূহ (পাঠ নং-১৮) |


প্ৰথমৰপৰা পঞ্চম শ্ৰেণীলৈ নিম্নলিখিত ক্ৰিয়া-কলাপসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী মাহটোৰ পাঠৰ লগত সংগতি ৰাখি অনুশীলন কৰাব।

#### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- এটা শাৰীত (ওখৰ পৰা চাপৰলৈ) ৰাজহাড় পোন কৰি থিয় হ'ব।
- লঘু খেল যেনে- ভেকুলী জাঁপ, ৰুমাল খেল, মেকুৰী-নিগনি খেল আদি খেলিব।
- খোৱাৰ আগত আৰু খোৱাৰ পাচত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব।

#### কলা আৰু শিল্পশিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- কেলেণ্ডাৰ বা থাৰ্মকলৰ সহায়ত ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ধৰণৰ প্ৰকল্প প্ৰস্তুত কৰিব।
- বিভিন্ন ৰঙৰ গুড়িৰ সহায়ত ৰংগোলী প্ৰস্তুত কৰিব।
- প্ৰাৰ্থনা, লোকগীত, স্থানীয় গীত আদি গাবলৈ অভ্যাস কৰিব।









## উদ্‌যাপন দিৱস আৰু অন্যান্য কাৰ্যাৱলী

**১৯-২৮ ফেব্ৰুৱাৰীঃ** চতুৰ্থ গোট মূল্যায়ন। মাৰ্চ মাহৰ দ্বিতীয় সপ্তাহত ছাত্ৰ-ছাত্ৰীৰ মূল্যায়নৰ খতিয়ান অভিভাৱকৰ লগত আলোচনা কৰিব।

- চতুৰ্থ গোট মূল্যায়নৰ প্ৰশ্নকাকতসমুহ ১০ ফেব্ৰুৱাৰী তাৰিখৰ ভিতৰত প্ৰধান শিক্ষকৰ ওচৰত জমা দিব লাগিব।

**২১ ফেব্ৰুৱাৰীঃ** ছাত্ৰ-ছাত্ৰীৰ মনত মাতৃভাষাৰ প্ৰতি আগ্ৰহ আৰু অনুৰাগ বৃদ্ধি কৰিব পৰা (যেনে- পদ্য, সাধু, গল্প লিখা আৰু পঢ়া) অনুষ্ঠান অনুষ্ঠিত কৰিব।

**২৮ ফেব্ৰুৱাৰীঃ** ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে বিদ্যালয়ত বিজ্ঞান প্ৰদৰ্শনীৰ আয়োজন কৰিব। ছাত্ৰ-ছাত্ৰীৰ বিজ্ঞান মনস্কতাৰ বিকাশ ঘটাবলৈ বিভিন্ন ধৰণৰ কাৰ্য-কলাপত নিয়োজিত কৰাব।







| | |
|---|---|
| প্ৰকৃত শ্ৰেণী দিন ঃ | ২৩ |
| ৰবিবাৰ ঃ | ৪ |
| আন বন্ধৰ দিন ঃ | ১ |
| মাহটোৰ মুঠ দিন ঃ | ২৮ |

(মাহটোৰ উদ্‌যাপন দিনৰ সংখ্যা ঃ ৩)

- শিক্ষকে প্ৰতিটো শ্ৰেণীৰ প্ৰতিটো বিষয়ৰ 'আকাংক্ষিত শিকন ফলাফল' অনুসৰি পাঠদান প্ৰক্ৰিয়া পৰিচালনা কৰিব ।
- বিশেষভাৱে সক্ষম শিশুৰ ক্ষেত্ৰত শিক্ষকে পাঠসমুহ তেওঁলোকৰ অনুকূলে সজাই লৈ পাঠদান কৰিব।
- ঘৰ বা বিদ্যালয় পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ লগতে চুবুৰী আৰু চৌপাশ পৰিষ্কাৰ কৰি ৰখাৰ দায়িত্ব আনৰ লগতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়েও পালন কৰিব।
- ৰাস্তাত খোজ কাঢ়োঁতে বা পাৰ হওঁতে নিজে সাৱধান হোৱাৰ লগতে শিশু, বৃদ্ধ আৰু বিশেষভাৱে সক্ষম ব্যক্তিক সহায় কৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য।
- বিদ্যালয়ৰ স্বাস্থ্য বিধিসন্মত ব্যৱস্থাৱলীৰ তদাৰক কৰিবলৈ ছাত্ৰ সংসদৰ পৰা এজন বা ততোধিক ছাত্ৰ প্ৰতিনিধি নিযুক্ত কৰিব যাতে প্ৰতিখন বিদ্যালয়ৰ স্বচ্ছতা অটুত থাকে। এইক্ষেত্ৰত ছাত্ৰ প্ৰতিনিধিৰ দায়িত্ব সময়ে সময়ে সলনি কৰিব।



## উচ্চ প্ৰাথমিক শ্ৰেণী (ষষ্ঠৰপৰা অষ্টম)

### শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

| বিষয় | ষষ্ঠ | সপ্তম | অষ্টম |
|---|---|---|---|
| অসমীয়া (ভাষা-১) | মহো-হো গীত (পাঠ নং-১৫) | গড়গাঁও (পাঠ নং-১৫) | শিশু-লীলা (পাঠ নং-১৫) |
| গণিত | ■ অনুপাত আৰু সমানুপাত (ক্ৰমশঃ) (পাঠ নং-১৩)<br>■ ব্যৱহাৰিক জ্যামিতি (পাঠ নং-১৪) | ■ সমমিতি (পাঠ নং-১৪)<br>■ গোটা আকৃতিক দৃশ্যায়ন (পাঠ নং-১৫) | ■ লেখৰ সৈতে পৰিচয় (পাঠ নং-১৫)<br>■ সংখ্যাৰ সৈতে ধেমালি (পাঠ নং-১৬) |
| ইংৰাজী (ভাষা-২) | I love My Country (Lesson-8) | Women in Space (Lesson-8) | Chandraprabha Saikiani (Lesson-8) |
| বিজ্ঞান | ■ আমাৰ চাৰিওফালে থকা বায়ু (পাঠ নং-১৫)<br>■ আৱৰ্জনা সৃষ্টি আৰু আৱৰ্জনা নিষ্কাশন (পাঠ নং-১৬) | ■ অৰণ্যঃ আমাৰ জীৱন ৰেখা (পাঠ নং-১৭)<br>■ বৰ্জিত পানীৰ কথা (পাঠ নং-১৮) | ■ তৰা আৰু সৌৰজগত (পাঠ নং-১৭)<br>■ বায়ু আৰু পানীৰ প্ৰদূষণ (পাঠ নং-১৮) |
| সমাজ বিজ্ঞান | ■ নতুন ভাৱৰ উত্থান (ই)<br>■ মৌৰ্য সাম্ৰাজ্য, মহামতি অশোক আৰু কৌটিল্যৰ অৰ্থশাস্ত্ৰ (ই)<br>■ স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থা (ৰা.বি.) | ■ ভাৰতৰ জলবায়ু, প্ৰাকৃতিক উদ্ভিদ, কৃষি আৰু জনসংখ্যা (ভূ)<br>■ প্ৰান্তীয় গোট আৰু গণতান্ত্ৰিক অধিকাৰ (ৰা.বি.) | ■ ভূগোল বিজ্ঞান অধ্যয়নত প্ৰযুক্তিৰ প্ৰয়োগ (ভূ)<br>■ আমাৰ মৌলিক কৰ্তব্য (ৰা.বি.) ক্ৰমশঃ |
| হিন্দী (ভাষা-৩) | खेल और सेहत (पाठ-16) | अमृत वाणी (पाठ-16) | मैं हूँ महाबाहु ब्रह्मपुत्र (पाठ-14) |

ষষ্ঠৰপৰা অষ্টম শ্ৰেণীলৈ নিম্নলিখিত ক্ৰিয়া-কলাপসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী মাহটোৰ পাঠৰ লগত সংগতি ৰাখি অনুশীলন কৰাব।

#### কৰ্মশিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

**কাগজৰ কামঃ** ফুল, বিচনী, বিভিন্ন জ্যামিতিক আকাৰ যেনে- ত্ৰিভুজ, চতুৰ্ভূজ ঘনক, বৰ্গ, চিলা, ক'লাজ আদি প্ৰস্তুত কৰিবলৈ শিকিব।

#### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- সম্পূৰ্ণ মাৰ্চ-পাষ্ট কৰিব।
- বল পাচিং খেলিব।
- খোৱাৰ আগত আৰু খোৱাৰ পাচত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব।

#### কলাশিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

মূল্যবোধ সম্বলিত কিছুমান নাটক, ৰচনা, অভিনয় আৰু বাটৰ নাট অনুষ্ঠিত কৰিব। পাঠৰ লগত সংগতি ৰাখি অন্যান্য চৰিত্ৰৰ লগতে বীৰবল, লাচিত বৰফুকন আদি চৰিত্ৰাভিনয়ত গুৰত্ব দিব।












- শৈক্ষিক দিনপঞ্জীত মাহ অনুযায়ী পাঠ বিতৰণ কৰি দিয়া হৈছে। প্ৰতিটো গোট মূল্যায়নৰ আগতে বিষয় অনুযায়ী নিৰ্ধাৰিত পাঠসমূহ শিক্ষকে নিজৰ নিজৰ সুবিধা অনুসৰি সমাপ্ত কৰিব লাগিব।
- ফেব্ৰুৱাৰী মাহত প্ৰকৃততে সম্পাদন হোৱা শ্ৰেণী দিনৰ সংখ্যা [ ] বাকচত উল্লেখ কৰিব। যদিহে এই সংখ্যা উল্লিখিত দিনতকৈ কম হয় তেনেহ'লে শিক্ষকে নিজৰ সুবিধা অনুযায়ী শ্ৰেণীদিন সম্পূৰ্ণ কৰিব লাগিব।

# ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

## মাহভিত্তিক শৈক্ষিক দিনপঞ্জী

## মাৰ্চ ২০২২



| সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ | শনি | ৰবি |
|---|---|---|---|---|---|---|
| | ১ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ২ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ৩ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ৪ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন আৰু উদ্‌যাপন দিন (শিশু সুৰক্ষা দিৱস) | ৫ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ৬ বন্ধ দিন |
| ৭ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ৮ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ৯ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ১০ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ১১ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ১২ ফলাফল ঘোষণাৰ দিন | ১৩ বন্ধ দিন |
| ১৪ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নাম ভৰ্তি, পাঠ্যপুথি বিতৰণ | ১৫ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নাম ভৰ্তি, পাঠ্যপুথি বিতৰণ | ১৬ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নাম ভৰ্তি, পাঠ্যপুথি বিতৰণ | ১৭ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নাম ভৰ্তি, পাঠ্যপুথি বিতৰণ | ১৮ বন্ধ দিন (দৌল যাত্ৰা) | ১৯ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নাম ভৰ্তি, পাঠ্যপুথি বিতৰণ | ২০ বন্ধ দিন |
| ২১ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নাম ভৰ্তি, পাঠ্যপুথি বিতৰণ | ২২ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নাম ভৰ্তি, পাঠ্যপুথি বিতৰণ উদ্‌যাপন দিন (বিশ্ব জল দিৱস) | ২৩ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নাম ভৰ্তি, পাঠ্যপুথি বিতৰণ | ২৪ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নাম ভৰ্তি, পাঠ্যপুথি বিতৰণ | ২৫ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নাম ভৰ্তি, পাঠ্যপুথি বিতৰণ | ২৬ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নাম ভৰ্তি, পাঠ্যপুথি বিতৰণ | ২৭ বন্ধ দিন |
| ২৮ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নাম ভৰ্তি, পাঠ্যপুথি বিতৰণ | ২৯ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নাম ভৰ্তি, পাঠ্যপুথি বিতৰণ | ৩০ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নাম ভৰ্তি, পাঠ্যপুথি বিতৰণ | ৩১ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নাম ভৰ্তি, পাঠ্যপুথি বিতৰণ | | | |

### মাৰ্চ মাহত কৰিবলগীয়া অন্যান্য কাৰ্যাৱলী

- চতুৰ্থ গোট মূল্যায়নৰ নিৰীক্ষণ আৰু ফলাফল ঘোষণা ।
- নতুন শিশুৰ নাম ভৰ্তিকৰণ।
- শ্ৰেণী অনুসৰি ৰেজিষ্টাৰত ছাত্ৰ-ছাত্ৰীৰ নাম লিখা।
- বিদ্যালয়ৰ সামগ্ৰিক বিকাশৰ বাবে পৰিকল্পনা।
- বিদ্যালয় প্ৰাঙ্গন পৰিষ্কাৰকৰণ।

উল্লিখিত কাৰ্যসমূহ নিৰ্দিষ্ট দিনত সম্পাদন কৰিবলৈ আগন্তুক সময়ত চৰকাৰী নিৰ্দেশনা অনুসৰণ কৰিব লাগিব।

### মূল্যায়ন ব্যৱস্থাৰ নিৰ্দেশাৱলী

চৰকাৰী জাননী নং AEE.499/2010/14-A dated 29/04/2011 ৰ জৰিয়তে তলত উল্লেখ কৰা মতে বছৰটোত প্ৰতিটো বিষয়ৰ বাবে চাৰিটা গোট মূল্যায়ন কৰি যাব। তাৰবাবে প্ৰতিটো পাঠ শেষ হোৱাৰ পিছত পাঠত থকা ধাৰণা/ অৰ্হতাসমূহ মূল্যায়ন কৰি যাব। পিছত নিৰ্দিষ্ট মাহকেইটাত শিক্ষণ-শিকন শেষ হোৱা পাঠসমূহৰ ওপৰত গোটভিত্তিক মূল্যায়ন কৰিব আৰু নথিত লিপিবদ্ধ কৰি ৰাখিব। বিশেষ প্ৰয়োজনসম্পন্ন শিশুৰ (Children with Special Needs) মূল্যায়নৰ ক্ষেত্ৰত ল'বলগীয়া কিছুমান নিৰ্দেশনা তলত উল্লেখ কৰা হ'ল।

১) প্ৰয়োজন অনুসৰি এইসকল ছাত্ৰ-ছাত্ৰীক অতিৰিক্ত সময় দিব। অৱসাদ দূৰ কৰাৰ বাবে এই সময়খিনিৰ ভিতৰতে জিৰণিৰ অনুমতি দিব।

২) ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত প্ৰয়োজন অনুসৰি বিভিন্ন সজুঁলি ব্যৱহাৰ কৰিবলৈ দিব, উদাহৰণস্বৰূপে— কেলকুলেটৰ, এবেকাচ, টেইলৰ ফ্ৰেইমৰ যোগাযোগ ব'ৰ্ড, হেলনীয়া ব'ৰ্ড, টেপ ৰেকৰ্ডাৰ, পেইন গ্ৰিপচ্ অৰ্থাৎ কলম ধৰা সঁজুলি ইত্যাদি।

৩) শ্ৰৱণ বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত ভাষা আহৰণৰ অসুবিধা থকাৰ বাবে মূল্যায়নৰ পদ্ধতি ৰচনাভিত্তিক হোৱাৰ পৰিৱৰ্তে বস্তুনিষ্ঠ হোৱা উচিত। প্ৰশ্নসমূহৰ ভাষা সহজ-সৰল হোৱাটো নিতান্তই প্ৰয়োজনীয়।

৪) দৃষ্টি শক্তিৰ অসুবিধা থকা আৰু দৃষ্টিহীনসকলৰ বাবেসকলৰ বাবে প্ৰশ্নকাকতসমূহ প্ৰয়োজন অনুসৰি ব্ৰেইল/ ডাঙৰ ছপা আখৰৰ হ'ব লাগে।

৫) যিমানদুৰ সম্ভৱ যতি চিহ্ন, বানান আৰু ব্যাকৰণৰ ভুলৰ বাবে নম্বৰ কমকৈ দিয়াৰ পৰা বিৰত থাকিব লাগে।

৬) পৰীক্ষাৰ সময়ত দিয়া মৌখিক নিৰ্দেশনাসমূহ ব'ৰ্ডত লিখি দিব।

৭) প্ৰয়োজন হ'লে এজন লিপিকাৰক নিয়োগৰ ব্যৱস্থা কৰিব।

৮) মগজুৰ পক্ষাঘাত থকা শিশুসকলে লিখাৰ সময়ত যথেষ্ট হেঁচি লিখে। সেয়েহে তেনে শিশুসকলক ব্যৱহাৰ কৰিবলৈ দিয়া উত্তৰবহী/কাগজ যথেষ্ট ডাঠ হোৱা উচিত।

৯) মানসিক বাধাগ্ৰস্ত শিশুৰ মূল্যায়নৰ বাবে প্ৰস্তুত কৰা প্ৰশ্নসমূহৰ জটিলতা শিশুৰ বোধগম্যতাৰ ওপৰত ভিত্তি কৰিহে নিৰ্ণয় কৰিব লাগে।

### উদ্‌যাপন দিৱস আৰু অন্যান্য কাৰ্যাৱলী

৪ মাৰ্চঃ

প্ৰাতঃসভাত শিক্ষকে শিশুৰ সুৰক্ষা আৰু ইয়াৰ সজাগতা সন্দৰ্ভত চমু আলোচনা কৰিব।

২২ মাৰ্চঃ

পানীৰ সংৰক্ষণ সন্দৰ্ভত শিক্ষকে জল দিৱসৰ তাৎপৰ্য চমুকৈ ব্যাখ্যা কৰিব। ছাত্ৰ ছাত্ৰীয়ে প্ৰস্তুত কৰা শ্ল'গান, প'ষ্টাৰ, ছবি আদি বিদ্যালয় চৌহদৰ উপৰি অঞ্চলৰ সুবিধাজনক ঠাইত আৰিব।



| | |
|---|---|
| খতিয়ান প্ৰস্তুতিৰ দিন ঃ | ১০ |
| পৰিকল্পনাৰ দিন ঃ | ১৫ |
| ফলাফল ঘোষণাৰ দিন ঃ | ১ |
| ৰবিবাৰ ঃ | ৪ |
| আন বন্ধৰ দিন ঃ | ১ |
| মাহটোৰ মুঠ দিন ঃ | ৩১ |

(মাহটোৰ উদ্‌যাপন দিনৰ সংখ্যা ঃ ২)

- শিক্ষকে প্ৰতিটো শ্ৰেণীৰ প্ৰতিটো বিষয়ৰ 'আকাংক্ষিত শিকন ফলাফল' অনুসৰি পাঠদান প্ৰক্ৰিয়া পৰিচালনা কৰিব ।
- বিশেষভাৱে সক্ষম শিশুৰ ক্ষেত্ৰত শিক্ষকে পাঠসমুহ তেওঁলোকৰ অনুকূলে সজাই লৈ পাঠদান কৰিব।
- ঘৰ বা বিদ্যালয় পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ লগতে চুবুৰী আৰু চৌপাশ পৰিষ্কাৰ কৰি ৰখাৰ দায়িত্ব আনৰ লগতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়েও পালন কৰিব।
- ৰাস্তাত খোজ কাঢ়োঁতে বা পাৰ হওঁতে নিজে সাৱধান হোৱাৰ লগতে শিশু, বৃদ্ধ আৰু বিশেষভাৱে সক্ষম ব্যক্তিক সহায় কৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য।
- বিদ্যালয়ৰ স্বাস্থ্য বিধিসন্মত ব্যৱস্থাৱলীৰ তদাৰক কৰিবলৈ ছাত্ৰ সংসদৰ পৰা এজন বা ততোধিক ছাত্ৰ প্ৰতিনিধি নিযুক্ত কৰিব যাতে প্ৰতিখন বিদ্যালয়ৰ স্বচ্ছতা অটুত থাকে। এইক্ষেত্ৰত ছাত্ৰ প্ৰতিনিধিৰ দায়িত্ব সময়ে সময়ে সলনি কৰিব।



### মাৰ্চ মাহত কৰিবলগীয়া অন্যান্য কাৰ্যাৱলী

- পাঠ পৰিকল্পনা।
- বিনামূলীয়া পাঠ্যপুথিৰ যোগান আৰু বিতৰণ।
- স্থানীয় কৰ্তৃপক্ষ, সমাজ, পিতৃ-মাতৃ, অভিভাৱক, মাতৃগোট, শিক্ষক, ছাত্ৰ-ছাত্ৰী আদিৰ সহযোগত বিদ্যালয় প্ৰাঙ্গণ, শৌচালয়, মধ্যাহ্ন ভোজনৰ ৰান্ধনিশাল, পানী জমা ৰখা পাত্ৰৰ পৰিষ্কাৰকৰণ।
- বিদ্যালয়লৈ স্বেচ্ছামূলকভাৱে (আৰ্থিক/অন্যান্য) অৱদান যোগাবলৈ স্থানীয় সমাজক উৎসাহিত কৰিব আৰু তেনে অৱদানসমূহ নিখুতভাৱে লিপিবদ্ধ কৰি ৰাখিব।

উল্লিখিত কাৰ্যসমূহ নিৰ্দিষ্ট দিনত সম্পাদন কৰিবলৈ আগন্তুক সময়ত চৰকাৰী নিৰ্দেশনা অনুসৰণ কৰিব লাগিব।

### মূল্যায়নত মান (গ্ৰেড) ব্যৱহাৰ

যদিও অবিৰত আৰু সামগ্ৰিক মূল্যায়ন ব্যৱস্থাত নম্বৰ/গ্ৰেডৰ ওপৰত অধিক গুৰুত্ব দিয়া উচিত নহয়, তথাপিও আমাৰ ৰাজ্যত মূল্যায়ন পদ্ধতিৰ সম্পূৰ্ণ পৰিবৰ্তন নোহোৱালৈকে শিক্ষকৰ সুবিধাৰ্থে সামান্য পৰিবৰ্তন কৰি আগৰ বছৰৰ দৰে এইবছৰো গ্ৰেড দিয়াৰ ব্যৱস্থা কৰা হৈছে। পূৰ্বৰ সাতটা গ্ৰেডৰ পৰিৱৰ্তে এই শিক্ষাবৰ্ষৰ পৰা পাঁচটা গ্ৰেড ব্যৱহাৰ কৰিব। প্ৰাথমিক পৰ্যায়ত তলত দিয়া ধৰণে গ্ৰেড ব্যৱহাৰ কৰিব।

(ক) বিদ্যায়তনিক দিশৰ বাবে

| গ্ৰেডৰ স্তৰ | গ্ৰেডৰ মন্তব্য | গ্ৰেডৰ শতাংশ |
|---|---|---|
| গ্ৰেড A+ | অতি উত্তম | (৯১-১০০%) |
| গ্ৰেড A | উত্তম | (৮১-৯০%) |
| গ্ৰেড B | বৰ ভাল | (৬১-৮০%) |
| গ্ৰেড C | ভাল | (৪১-৬০%) |
| গ্ৰেড D | অধিক বিকাশৰ প্ৰয়োজন আছে | ৪০% বা ইয়াৰ তলত |

গ্ৰেড নিৰ্ণয় ঃ $\frac{\text{বিষয়ভিত্তিক পোৱা মুঠ নম্বৰ}}{\text{বিষয়ভিত্তিক সৰ্বমুঠ নম্বৰ}} \times ১০০$

উদাহৰণ ঃ কোনো ছাত্ৰ/ছাত্ৰীয়ে পোৱা মুঠ নম্বৰ

| বিষয় | মুঠ নম্বৰ | প্ৰাপ্ত নম্বৰ |
|---|---|---|
| ভাষা | ৫০ | ৪৫ |
| গণিত | ৫০ | ৫০ |
| ইংৰাজী | ৫০ | ৪০ |
| পৰিৱেশ অধ্যয়ন | ৫০ | ৪০ |
| শাৰীৰিক শিক্ষা | ৫০ | ৪০ |
| কলা শিক্ষা | ৫০ | ৪০ |
| সৰ্বমুঠ | ৩০০ | ২৫৫ |

গ্ৰেড নিৰ্ধাৰণ ঃ $\frac{২৫৫}{৩০০} \times ১০০ = ৮৫\%$

গ্ৰেড ঃ A

(খ) ব্যক্তিগত-সামাজিক গুণৰাজি

শিক্ষকে এই সম্পৰ্কে গঠনাত্মক মন্তব্য দিয়া উচিত। যদি ছাত্ৰ/ছাত্ৰীগৰাকী কোনো দিশত দুৰ্বল আৰু তেওঁৰ অধিক বিকাশৰ প্ৰয়োজন আছে, তেন্তে 'তেওঁ এই দিশত পিছপৰা' বুলি কোৱাতকৈ 'এই দিশত অধিক যত্নৰ প্ৰয়োজন আছে' বুলি উল্লেখ কৰা উচিত।

২০২২ বৰ্ষৰ জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহৰ অন্যান্য বন্ধসমূহ কেলেণ্ডাৰত প্ৰতিফলিত কৰা হৈছে যদিও সেই বৰ্ষৰ চৰকাৰী বন্ধৰ অধিসূচনা অনুসৰিহে এই বন্ধসমূহ প্ৰযোজ্য হ'ব ।